**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-10-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

---

১। ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত অনুষ্ঠিত হ'বলগীয়া উপ-নির্বাচনৰ বাবে বৰ্তমানলৈ চাৰিটা সমষ্টিৰ ২৪গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ গৃহীত।

২। দেশৰ ৫১ হাজাৰৰো অধিক যুৱক-যুৱতীক আজি ভাৰ্চুৱেল ব্যৱস্থাৰে প্ৰধানমন্ত্ৰীৰ নিযুক্তি পত্ৰ বিতৰণ।

৩। ৰোজগাৰ মেলাৰ সৈতে সংগতি ৰাখি গুৱাহাটীত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নিযুক্তি পত্ৰ বিতৰণ।

৪। চৰ্দাৰ বল্লভ ভাই পেটেলৰ জন্মবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি আজি দেশৰ আন আন প্ৰান্তৰ লগতে অসমতো একতাৰ দৌৰ কাৰ্যসূচী ৰূপায়ণ।

আৰু

৫। ভাৰতীয় মহিলা ক্ৰিকেট দলটো আজি তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত নিউজিলেণ্ডৰ মুখামুখি।

0000000

অহা ১৩ নৱেম্বৰত ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিত অনুষ্ঠিত হ'বলগীয়া উপ-নির্বাচনৰ মনোনয়ন পত্ৰসমূহ কালি পৰীক্ষা কৰা হয়। অৱশ্যে চামগুৰি বিধানসভা সমষ্টিৰ মনোনয়ন পত্ৰ পৰীক্ষাৰ পৰিক্ষণ প্ৰক্ৰিয়া আজি পুৱা ১১ বজালৈ স্থগিত ৰখা হৈছে। কালি মনোনয়ন পত্ৰ পৰীক্ষা কৰা অনুসৰি ধলাই সমষ্টিত ৯-গৰাকী, ছিদলী সমষ্টিত ৩গৰাকী, বঙাইগাঁও সমষ্টিত ৮গৰাকী, বিহালী সমষ্টিত ৪গৰাকী প্ৰাৰ্থীৰ ভিতৰত আটাইকেইগৰাকী প্ৰাৰ্থীৰেই মনোনয়ন গৃহীত হয়। ধলাই সমষ্টিত নির্দলীয় প্ৰাৰ্থী অমিয় কান্তি দাসে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আহ্বানৰ প্ৰতি সঁহাৰি জনাই দাসে মনোনয়ন প্ৰত্যাহাৰ কৰা বুলি সদৰি কৰিছে। উল্লেখ্য যে বিজেপিৰ কাছাৰ জিলা সমিতিৰ প্ৰাক্তন উপ সভাপতি অমিয় কান্তি দাসে প্ৰাৰ্থীত্ব লাভ নকৰাৰ পাছতে নির্দলীয় প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতা কৰাৰ কথা ঘোষণা কৰিছিল। উপ-নির্বাচনৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম তাৰিখ অহা ৩০ অক্টোবৰ ধাৰ্য কৰা হৈছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুনকৈ নির্বাচিত হোৱা ৫১ হাজাৰৰো অধিক প্ৰাৰ্থীক আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে নিযুক্তি পত্ৰ বিতৰণ কৰিব। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ প্ৰেক্ষাগৃহত আজি পুৱা চাৰে ৯ বজাৰ পৰা ৰোজগাৰ মেলাৰ আয়োজন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ কৰিবলগীয়া এই মেলাত কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই কাৰ্যসূচীত উপস্থিত থাকিব।

দেশৰ ৪০টা স্থানত আয়োজিত ৰোজগাৰ মেলাৰ জৰিয়তে কাইলৈ কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰালয় আৰু বিভাগত এইসকল প্ৰাৰ্থীক নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব। এই ৰোজগাৰ মেলাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিয়োগ সৃষ্টিৰ অগ্ৰাধিকাৰৰ দায়বদ্ধতাক প্ৰতিফলিত কৰে। এনে ধৰণৰ মেলাই দেশৰ যুৱ প্ৰজন্মক ৰাষ্ট্ৰৰ

নিৰ্মাণত অৰিহণা যোগাবলৈ সুবিধা প্ৰদান কৰে। নতুনকৈ নিযুক্তি পোৱা প্ৰাৰ্থীসকলে iGOT কৰ্মযোগী প'ৰ্টেলৰ যোগেদি অনলাইন মাধ্যমেৰে প্ৰাথমিক প্ৰশিক্ষণ গ্ৰহণ কৰাৰ সুবিধা ল'ব পাৰিব। দেশৰ যুৱ প্ৰজন্মই বিকশিত ভাৰত নিৰ্মাণৰ দিশত প্ৰয়োজনীয় দক্ষতা আৰু নিয়োগৰ সুবিধা লাভ কৰাৰ বাবে এহেজাৰ ৪০০ ৰো অধিক ই-শিক্ষণ পাঠ্যক্ৰম এই কৰ্মযোগী প'ৰ্টেলৰ জৰিয়তে গ্ৰহণ কৰিব পাৰিব।

০০০০০০০

চৰ্দাৰ বল্লভ ভাই পেটেলৰ জন্মবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি আজি দেশৰ আন আন প্ৰান্তৰ লগতে ৰাজ্যতো একতাৰ দৌৰ শীৰ্ষক কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। এই উপলক্ষে নতুন দিল্লীৰ মেজৰ ধ্যানচান্দ ষ্টেডিয়ামত আয়োজিত কাৰ্যসূচীত গৃহমন্ত্ৰী অমিত শ্বাহে অংশগ্ৰহণ কৰে।

গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰালয়ে ভাৰতৰ আভ্যন্তৰীণ জলপথ প্ৰাধিকৰণৰ সৈতে এই কাৰ্যসূচীৰ আয়োজন কৰিছে। পুৱা চাৰে ৬ বজাত আৰম্ভ হোৱা এই কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰে।

**বাইট (সৰ্বানন্দ সোণোৱাল)**

আনহাতে মহানগৰীৰ লতাশিল খেলপথাৰত অনুষ্ঠিত একতাৰ দৌৰ কাৰ্যসূচীত ক্ৰীড়া আৰু যুৱকল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোচা, ৰাজ্যৰ মুখ্য সচিব, আৰক্ষী সঞ্চালক প্ৰধানসহ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত কামৰূপ মহানগৰ কেইবাখনো বিদ্যালয়-মহাবিদ্যালয়ৰ শিক্ষাৰ্থীৰ লগতে এন চি চি কেডাৰেও একতাৰ দৌৰত অংশগ্ৰহণ কৰে।

কাৰ্বি আংলঙৰ ডিফু চহৰতো একতাৰ দৌৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ডিফু চহৰৰ মুখ্য বজাৰৰ পৰা আৰম্ভ কৰা এই দৌৰ ডিফু পুৰণি হাস্পতাল, খৰছিং তেৰাং সোৰৰণী উদ্যান আমলাপট্টি পথ হৈ ডিফু কাচা ষ্টেডিয়ামত সামৰণি পৰে। জিলা আৰক্ষী অধীক্ষক, বিভিন্ন শিক্ষানুষ্ঠানৰ শিক্ষক-শিক্ষয়িত্ৰী, আৰক্ষী জোৱান আৰু যুৱক-যুৱতীয়ে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। কাৰ্যসূচীৰ শুভাৰম্ভ কৰি জিলা আয়ুক্ত নিৰলা ফাংচপীয়ে এইদৰে কয়-

**বাইট (নিৰলা ফাংচপী)**

চিৰাং জিলাৰ কাজলগাঁৱতো অনুষ্ঠিত ৰাষ্ট্ৰীয় একতাৰ দৌৰ অনুষ্ঠানত জিলাখনৰ আয়ুক্তই অংশগ্ৰহণ কৰে। একেদৰে দৰং জিলাৰ খাৰুপেটীয়াত জিলা আৰক্ষী বিভাগৰ উদ্যোগত একতাৰ দৌৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

গোলাঘাট জিলাৰ বোকাখাত, দেৰগাঁও, সৰুপথাৰ সম-জিলাৰ লগতে মেৰাপানী, কাজিৰঙা আদি অঞ্চলতো একতাৰ দৌৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষৰ উদ্যোগত কঁহৰা বনাঞ্চলৰ মিহিমুখৰ পৰা কাজিৰঙা নেচনেল পাৰ্ক হাইস্কুললৈ অনুষ্ঠিত একতাৰ দৌৰত বনবিভাগৰ বিষয়া কৰ্মচাৰীৰ লগতে ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

০০০০০০০

যোৰহাট আৰ্ৰত ভৱনত জিলা আয়ুক্তৰ অধ্যক্ষতাত তিতাবৰ সমজিলা আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্তৰ উপস্থিতিত খাদ্য আৰু অসামৰিক যোগান বিভাগ, কৃষি বিভাগ, মিলাৰ্ছ আৰু সংশ্লিষ্ট বিভাগৰ বিষয়া কৰ্মচাৰীসকলৰ সৈতে ধান ক্ৰয় সন্দৰ্ভত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত জিলা আয়ুক্তগৰাকীয়ে ২০২৪-২৫ বৰ্ষৰ খাৰিফ মাৰ্কেটিং চিজনত ৫০০০ মেট্ৰিটন ধান ক্ৰয় লক্ষ্যত উপনীত হোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মিলাৰ্ছ আৰু খাদ্য আৰু অসামৰিক যোগান তথা কৃষি বিভাগক এই প্ৰচেষ্টাত সহযোগিতা আগবঢ়াবলৈ

আহ্বান জনায়। তদুপৰি জিলা আয়ুক্তগৰাকীয়ে কৃষকসকলৰ উৎপাদিত সামগ্ৰী উচিত মূল্য নিশ্চিত কৰাৰ লক্ষ্যৰে প্ৰতি কুইণ্টল ধানত ন্যূনতম সমৰ্থন মূল্যতকৈ কম দামত যাতে বিক্ৰি নকৰে সেয়া নিশ্চিত কৰিবলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশ প্ৰদান কৰে।

০০০০০০০

পোহৰৰ উৎসৱ দীপাৱলীৰ প্ৰাক্‌ক্ষণত ৰাজ্যৰ আটচবাজী প্ৰস্তুতকাৰী শিল্পীসকলৰ মাজত কৰ্ম ব্যস্ততা বৃদ্ধি হোৱা দেখা পোৱা গৈছে। ৰাজ্যৰ আন প্ৰান্তৰ লগতে বৰপেটাৰ শিল্পীসকলে থলুৱাভাৱে প্ৰস্তুত কৰা নানা তৰহৰ আটচবাজী ৰাইজৰ হাতত তুলি দিবলৈ সাজু কৰি তুলিছে। বহিঃৰাজ্যৰ আটচবাজীৰ প্ৰতিযোগিতামূলক বজাৰৰ মাজতো বৰপেটাৰ থলুৱা উদ্যোগটোৱে মৌলিক বৈশিষ্ট্যৰ বাবে বজাৰ ধৰি ৰাখিবলৈ সক্ষম হৈছে। এই সন্দৰ্ভত আমাৰ আকাশবাণীৰ বৰপেটাৰ সংবাদদাতা অৰূপজ্যোতি মহন্তই এনেদৰে কয়–

**-ভইচ কাষ্ট-(অৰূপজ্যোতি মহন্ত)**

০০০০০০০

বিশিষ্ট ভাস্কৰ্য্য শিল্পী বীৰেণ সিংহলৈ ২০২৪ বৰ্ষৰ সাৰস্বত সন্মান আগবঢ়োৱাৰ কথা অধ্যাপক নগেন শইকীয়া সাৰস্বত ন্যাস পৰিষদে জানিবলৈ দিছে। শিল্পীগৰাকীয়ে ভাস্কৰ্য্য তথা চিত্ৰ শিল্পলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ প্ৰতি লক্ষ্য ৰাখি শ্ৰীসিংহক এই বঁটা প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ৰাজ্যৰ বিশিষ্ট সাহিত্যিক, মিতভাষৰ স্ৰষ্টা ড০ নগেন শইকীয়াৰ জন্মদিন ১১ ফেব্ৰুৱাৰীৰ দিনটোত ন্যাসে বিভিন্ন ক্ষেত্ৰত অৱদান আগবঢ়োৱা বিশিষ্ট ব্যক্তিক এই সন্মান প্ৰদান কৰি আহিছে।

০০০০০০০

পোহৰৰ উৎসৱ দীপাৱলী উপলক্ষে হোজাই জিলা প্ৰশাসনে কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। জিলাখনত ফটকা বিক্ৰী কৰা বিপণীসমূহে প্ৰশাসনৰ লগতে পৌৰসভা অথবা পঞ্চায়তৰ পৰা অনুমতি ল'ব লাগিব। জনসাধাৰণে উচ্চ শব্দৰ ফটকা ব্যৱহাৰ কৰিব নোৱাৰিব। জিলাখনৰ প্ৰশাসনে সৰ্বসাধাৰণ ৰাইজক সেউজ দীপাৱলী উদযাপন কৰিবলৈ আহ্বান জনাইছে।

আনহাতে ৰাজ্যৰ কেইবাখনো জিলাত অহা ১ নৱেম্বৰৰ দিনটো স্থানীয় বন্ধ হিচাপে ঘোষণা কৰিছে। কামৰূপ মহানগৰ জিলা প্ৰশাসনেও এই সন্দৰ্ভত জাননী জাৰি কৰিছে। শিৱসাগৰ জিলা আয়ুক্তইও এই দিনটো স্থানীয় বন্ধৰ দিন ঘোষণা কৰিছে।

০০০০০০০

যোৰহাটত অনুষ্ঠিত বি ডিভিজন ফুটবল লীগৰ কালি অনুষ্ঠিত চূড়ান্ত খেলত অসম ৰেঞ্জাৰ এফ চিয়ে অনিৰুদ্ধ স্পৰ্টছ ক্লাবক ২-০ ব্যৱধানত পৰাস্ত কৰি খিতাপ অৰ্জন কৰে। অসম ৰেঞ্জাৰ এফ চিৰ হৈ অনমিত্ৰ বৰা আৰু ঋতুপল্লৱ চলিহাই ক্ৰমে খেলৰ তৃতীয় মিনিট আৰু ৭৯ মিনিটত গ'ল কৰি দলটোৰ বিজয় নিশ্চিত কৰে। বিজয় সূত্ৰে বাপুৰাম কটকী সোঁৱৰণী বঁটা লাভ কৰা অসম ৰেঞ্জাৰ এফ চিৰ মানস সোণোৱালে শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে। বঁটাসমূহ জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক জুল খাউণ্ড আৰু ক্ৰীড়া সংগঠক বিপুল দুৱৰাই প্ৰদান কৰে। প্ৰতিযোগিতাৰ ফাইনেলত উপনীত হোৱাৰ সুবাদত চেম্পিয়ন দল অসম ৰেঞ্জাৰ এফ চি আৰু অনিৰুদ্ধ দেৱ স্পৰ্টছ ক্লাবে ২০২৫ বৰ্ষৰ এ ডিভিজন লীগত খেলাৰ সুযোগ লাভ কৰিব।

০০০০০০০

ভাৰতীয় মহিলা ক্ৰিকেট দলটো আজি তিনিখনীয়া এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত নিউজিলেণ্ডৰ মুখামুখি হ'ব। খেলখন আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত দিনৰ ডেৰ বজাত আৰম্ভ হ'ব। দুয়োটা দলে ইতিমধ্যে শৃংখলাত এখনকৈ খেলত জয়ৰ মুখ দেখিছে। শৃংখলাৰ প্ৰথমখন খেলত ভাৰতীয় দলটো জয়ী হোৱাৰ বিপৰীতে দ্বিতীয়খন খেলত আলহী দলটোৱে ৭৬ ৰানৰ ব্যৱধানত বিজয় সাব্যস্ত কৰিছিল।

০০০০০০০

হকী ইণ্ডিয়াই চলিত বৰ্ষৰ মহিলাৰ এছিয় চেম্পিয়নছ ট্ৰফী প্ৰতিযোগিতাৰ বাবে ১৮ জনীয়া ভাৰতীয় দলৰ সদস্যসকলৰ নাম ঘোষণা কৰিছে। বিহাৰৰ ৰাজগীৰ হকী ষ্টেডিয়ামত অহা মাহৰ ১১ৰ পৰা ২০ তাৰিখলৈ এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। হকী ইণ্ডিয়াৰ ঘোষণা অনুসৰি মিড ফিল্ডাৰ ছালিমা টেটেই বিগত বৰ্ষৰ বিজয়ী ভাৰতীয় দলটোক নেতৃত্ব দিয়াৰ বিপৰীতে ফৰৱাৰ্ড খেলুৱৈ নৱনীত কৌৰে উপ-অধিনায়কৰ দায়িত্ব পালন কৰিব।

প্ৰতিযোগিতাৰ প্ৰথম দিনটোত ভাৰতে মালয়েছিয়াৰ বিৰুদ্ধে খেলেৰে অভিযান আৰম্ভ কৰিব। ইয়াৰ পৰৱৰ্তী খেলসমূহত ঘৰুৱা দলটো ক্ৰমে চীন, জাপান, কোৰিয়া আৰু থাইলেণ্ডৰ মুখামুখি হ'ব।

০০০০০০০

প্ৰাক্তন খেলুৱৈ ভি ভি এছ লক্ষ্মন ভাৰতীয় জ্যেষ্ঠ ক্ৰিকেট দলৰ মুখ্য প্ৰশিক্ষক হিচাপে দলৰ সৈতে সমাগত দক্ষিণ আফ্ৰিকা ভ্ৰমণলৈ যাব। দলৰ বৰ্তমানৰ প্ৰশিক্ষক গৌতম গম্ভীৰ বৰ্ডাৰ গাভাস্কাৰ ট্ৰফী ক্ৰিকেট শৃংখলাৰ বাবে অষ্ট্ৰেলিয়ালৈ ৰাওনা হ'ব। সূৰ্য কুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতীয় দলটোৱে ৮ৰ পৰা ১৫ নৱেম্বৰলৈ দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে চাৰিখন টি-২০ খেলত অংশ ল'ব। অৱশ্যে এই শৃংখলাটোত মায়ংক যাদব, শিৱম ডুবে আৰু ৰিয়ান পৰাগক আঘাতৰ বাবে দলৰ বাহিৰত ৰখা হৈছে।

০০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ ঘোষণা ২০২৫ত আৰম্ভ হ'ব লোকপিয়ল। ২০২৬ চনলৈকে চলিব এই লোকপিয়লৰ কাম। ২০২১ চনত আৰম্ভ হ'বলগীয়া এই লোকপিয়ল ক'ভিড-১৯ৰ বাবে বন্ধ ৰখা হৈছিল। এই বাতৰিটো নিয়মীয়া বাৰ্তা, দৈনিক জনমভূমি, দৈনিক অগ্ৰদূত আদি কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

২১ নৱেম্বৰৰ পৰা অসম সাহিত্য সভাৰ জিলা আৰু শাখা সাহিত্য সভাসমূহে সময়-সুবিধা অনুযায়ী ভোটদান পৰ্ব সমাপন কৰিব। ৪ ডিচেম্বৰত ভোটদান শেষ হোৱাৰ পাছত ৫ ডিচেম্বৰত নিৰ্বাচনী বিষয়াৰ উপস্থিতিত মেঘদূত ভৱনত সংস্থাপিত ভোটৰ বাকচ বন্ধ কৰা হ'ব। তাৰ পাছত সভাৰ সপ্তম কাৰ্যনিৰ্বাহক অধিৱেশনত ভোটগণনা কাৰ্য সম্পন্ন কৰা হ'ব। এই বাতৰিটোক অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

শক্তিশালী ভাৰত গঢ়াৰ যুগান্তকাৰী পদক্ষেপ প্ৰধানমন্ত্ৰীৰ, দেশৰ প্ৰথম যুদ্ধ বিমান নিৰ্মাণৰ প্ৰকল্প উদ্বোধন শিৰোনামেৰে বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আধুনিকতাৰ ধামখুমীয়াত এইবাৰ নিশ্চিহ্ন হ'ব দীঘলীপুখুৰীৰ প্ৰাকৃতিক সৌন্দৰ্য। ফ্লাইঅভাৰৰ বাবে ২০০ বছৰ পুৰণি গছ কটাৰ প্ৰস্তুতি। এই বাতৰিটো দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

লুইত প্ৰাইচ লিমিটেড হাইপাৰভাৰ্ছৰ নামত লুণ্ঠন, কোটি কোটি টকা আত্মসাৎ কৰা চক্ৰৰ আত্মগোপন শিৰোনামেৰে বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰকাশ কৰিছে।

বিলুপ্তিৰ পথত অসমৰ কেইবাটাও প্ৰজাতিৰ বাঁহ, নাইকীয়া হ'ল ডাঠ বাঁহনি, প্ৰচুৰ সম্ভাৱনাপূৰ্ণ বাঁহ উদ্যোগৰ প্ৰতি গুৰুত্ব নাই চৰকাৰৰ। এই বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বপূৰ্ণ স্থান দিছে।

NE STATES YET TO SPEND RS.9,536 CR. OF DONER FUNDS শিৰোনামেৰে বাতৰিটো দা ছেণ্টিনেল কাকতখনে প্ৰকাশ কৰিছে।

আহোম জনগোষ্ঠীৰ ছাত্ৰ সংগঠন সদৌ টাই আহোম ছাত্ৰ সন্থা চমুকৈ আটাছুৰ দুটা ফৈদৰ মাজত পুনৰ সংঘাত তীব্ৰতৰ হৈ উঠা বাতৰিটো আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – ৰাজভৱনৰ সমীপত গ্ৰেনেড উদ্ধাৰ, অমিয় কান্তি দাসলৈ মুখ্যমন্ত্ৰীৰ ফোন-ধলাত নিৰ্দলীয় প্ৰাৰ্থীৰ মনোনয়ন প্ৰত্যাহাৰ, চামগুৰিৰ প্ৰাৰ্থী তালিকা ঘোষণা নকৰিলে প্ৰশাসনে, এ ডি আৰ ই চতুৰ্থ বৰ্গৰ পৰীক্ষাৰ গুৱাহাটী নাৰেঙ্গী পৰীক্ষা কেন্দ্ৰত মোবাইল লৈ প্ৰৱেশ কৰা প্ৰাৰ্থীক গ্ৰেপ্তাৰ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

0000000

**সমাপ্ত**